# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-06-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***
## Headlines

-------------------

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দৰং জিলাৰ ঐতিহাসিক খটৰা সত্ৰ পৰিদৰ্শন। সত্ৰসমূহৰ ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰ সংকল্পবদ্ধ বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। গুৱাহাটীকে ধৰি ৰাজ্যৰ প্ৰায়বোৰ অঞ্চল গ্ৰীষ্ম প্ৰবাহৰ কবলত।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰৰ ১১ বছৰত প্ৰতি দিনে ঘাইপথ নিৰ্মাণৰ হাৰ ৩৪ কিলোমিটাৰ পৰ্যন্ত বৃদ্ধি।

৪। চৰাইদেউ জিলাৰ সাপেখাঁটিত এখন নতুন জৱাহৰ নবোদয় বিদ্যালয় নিৰ্মাণত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ অনুমোদন। ***আৰু***

৫। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ প্ৰাৰম্ভিক বেটিং বিপৰ্যয়।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দৰং জিলাৰ ঐতিহাসিক খটৰা সত্ৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সত্ৰৰ পুৰণি নামঘৰ আৰু মণিকূট নতুনকৈ নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে সত্ৰ দৰ্শন কৰি সেৰা আগবঢ়োৱাৰ পাছত সত্ৰ পৰিচালনা সমিতিৰ শিল্পীসকলে পৰিৱেশন কৰা সত্ৰীয়া কৃষ্টি-সংস্কৃতি উপভোগ কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে সত্ৰৰ ভূমি দখলমুক্ত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ সংকল্পবদ্ধ বুলি সংবাদমাধ্যমৰ আগত প্ৰকাশ কৰে। তেওঁ কয়, যে সত্ৰসমূহৰ পৱিত্ৰতা ৰক্ষাৰ বাবে চৰকাৰে নিৰ্ণায়ক পদক্ষেপ গ্ৰহণ কৰিছে। স্থায়ী সত্ৰ আয়োগ গঠন কৰি এই আয়োগক ন্যায়ালয়ৰ সমান ক্ষমতা প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**(বাইট- চি এম)**

ৰাজ্যত শীঘ্ৰেই নতুনকৈ ৪০০ চিকিৎসকক নিযুক্তি দিয়া হ'ব বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয়, যে জিলাই জিলাই চিকিৎসা মহাবিদ্যালয়ৰ স্থাপনৰ পৰিকল্পনা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে খটৰা সত্ৰৰ চৌহদত ৰুদ্ৰাক্ষ গছৰ পুলি এটা ৰোপণ কৰে। খটৰা সত্ৰ পৰিদৰ্শন কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে পথৰুঘাটৰ শ্বহীদ স্তম্ভত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ইপিনে কামৰূপ জিলাৰ দুমুনীচকীত মুখ্যমন্ত্ৰীগৰাকীয়ে দৰং জিলাৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাকালত মুখ্যমন্ত্ৰীগৰাকীয়ে দল-সংগঠনৰ প্ৰতিনিধিৰ পৰা বিভিন্ন সমস্যা সন্দৰ্ভত বুজ লয়। এই আলোচনাত কমলপুৰৰ বিধায়ক দিগন্ত কলিতা, ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশী আৰু মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস উপস্থিত থাকে।

00000

গুৱাহাটীকে ধৰি ৰাজ্যখনৰ প্ৰায়বোৰ অঞ্চল আজি প্ৰচণ্ড গৰমৰ প্ৰভাৱত পৰিছে। উজনি অসম আৰু উত্তৰ অসমৰো বিভিন্ন অঞ্চলত আজি পাৰস্তম্ভই ৩৮ ডিগ্ৰী ছেলছিয়াছ চুইছেগৈ। ইয়াৰ লগতে বতাহত আপেক্ষিক আৰ্দ্ৰতাৰ পৰিমাণ ৬০ শতাংশ অতিক্ৰম কৰাত জনসাধাৰণে অধিক উষ্ণতাৰ পৰিৱেশত থকা যেন অনুভৱ কৰিছে। অহা দুদিনলৈ ৰাজ্যখনলৈ এনে তীব্ৰ গৰমৰ পৰিৱেশ বৰ্তি থাকিব। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে ক্ষন্তেক সময় আগতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ড০ গায়ত্ৰী কলিতাৰ সৈতে কথা পাতিছিল।

**বাইট (ড০ গায়ত্ৰী কলিতা)**

00000

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। আজিৰ শিতানত পৰিবহন আৰু আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভত আলোকপাত কৰিবলৈ লোৱা হৈছে।

**(ভইচ–– বিগত দশকত ভাৰতৰ সামগ্ৰিকভাৱে সংহত আৰু অভূতপূৰ্ব পৰিসৰত আন্তঃগাঁথনিৰ উন্নয়ন হোৱাটো পৰিলক্ষিত হৈছে। প্ৰতি দিনে ঘাইপথ নিৰ্মাণৰ হাৰ ৩৪ কিলোমিটাৰ পৰ্যন্ত বৃদ্ধি পাইছে। এয়া ২০১৪ চনতকৈ তিনি গুণ অধিক। ভাৰতমালা পৰিযোজনাৰ অধীনত ২০ হাজাৰ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ২০১৪ চনৰ পৰা নিৰ্মাণ কৰা ৭ দশমিক ৮ লাখ কিলোমিটাৰৰো অধিক পথৰ সৈতে ৯৯ শতাংশ গাঁও সংযোগ কৰা হৈছে। প্ৰধানমন্ত্ৰী গতি শক্তি মাষ্টাৰ প্লেনত ৪৪টা মন্ত্ৰালয় আৰু ৩৬খন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলত আন্তঃগাঁথনি উন্নয়নৰ বাবে জি আই এছ আধাৰিত ডিজিটেল প্লেটফৰ্ম একত্ৰিত কৰা হৈছে।**

**দেশৰ ৰে'লৰেৰ ক্ষেত্ৰতো বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৪৫ হাজাৰ কিলোমিটাৰৰো অধিক পথত বিদ্যুৎচালিত ৰেল সেৱাৰ সূচনা কৰা হৈছে। ৬৮খন বন্দে ভাৰত এক্সপ্ৰেছ ৩৩৩খন জিলাৰ সৈতে সংযোগ কৰা হৈছে। অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত এহেজাৰ ৩০০ৰো অধিক ষ্টেচন আধুনিকীকৰণ কৰা হৈছে।**

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে বিমান পৰিবহনৰ ক্ষেত্ৰতো বহু ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰিছে। উড়ান আঁচনিৰ অধীনত ৮৮টা বিমান বন্দৰ সক্ৰিয় কৰি তোলা হৈছে। মেট্ৰ' ৰে'ল সেৱা এতিয়া ৩৩খন মহানগৰলৈ সম্প্ৰসাৰিত কৰা হৈছে। ভাৰত এতিয়া বিশ্বৰ তৃতীয় সৰ্ববৃহৎ মেট্ৰ' নেটৱৰ্ক হিচাপে পৰিগণিত হৈছে।**

**সাগৰমালা কাৰ্যসূচীৰ অধীনত বন্দৰ আৰু আভ্যন্তৰীণ জলপথৰ যথেষ্ট অগ্ৰগতি লাভ কৰিছে। মোদী চৰকাৰৰ ১১ বছৰত ২৭৭টা বন্দৰ সংযুক্ত প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে। আহমেদাবাদত ষ্টেচ্যু অব ইউনিটী, চেনাব নদীৰ ৰে'ল দলং, ১০ হাজাৰ ফুট উচ্চতাত থকা বিশ্বৰ আটাইতকৈ দীঘল অটল সুৰংগ পথে ভাৰতৰ বিকাশ প্ৰতিফলিত কৰিছে।**

**উন্নয়নৰ এই মাইলৰ খুঁটি আৰু উৎপাদনশীলতাই দেশক ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াব।)**

০০০০০

ৰাজ্যৰ ৰাভা বসতিপ্ৰধান অঞ্চলসমূহত আজি পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে বাইখ'দেৰা বা বায়খ' পূজা পালন কৰা হৈছে। প্ৰতিবছৰে জেঠ মাহৰ পূৰ্ণিমা তিথিত এই পূজা পালন কৰা হয়। এই উৎসৱত ৰাভাসকলৰ পূজনীয় দেৱ-দেৱীলৈ পূজা-অৰ্চনা আগবঢ়োৱা হয় আৰু কৃষিকৰ্ম সুচাৰুৰূপে সম্পন্ন কৰাৰ লগতে ৰাইজৰ উন্নয়নৰ কামনাৰে এই পূজা অনুষ্ঠিত কৰা হয়। বায়খো হুৰি অসম, খৈৰাবাৰী আঞ্চলিক বায়খো হুৰি অসম, খৈৰাবাৰী আঞ্চলিক ৰাভা জাতীয় সংগঠনৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত ওদালগুৰি জিলাৰ খৈৰাবাৰী বৰজামুগুৰি বায়খ'দামত আজিৰেপৰা চতুৰ্দশ বায়খ' উৎসৱ অনুষ্ঠিত হৈছে। এই উৎসৱত জনগোষ্ঠীটোৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰা দেখা গৈছে।

গোৱালপাৰা জিলাৰ আন আন ঠাইৰ লগতে পশ্চিম দায়ৰং আয়া বায়খ' থানত আজি দিনজোৰা কাৰ্যসূচীৰে বায়খ' উৎসৱ পালন কৰা হয়। দুধনৈ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত দুধনৈৰ ৰাজহুৱা খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে এই উৎসৱ পালন কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বায়খ' উৎসৱ উপলক্ষে ৰাভা জনগোষ্ঠীৰ লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড° শৰ্মাই কয়, যে এই উৎসৱৰ সৈতে ৰাভা জনগোষ্ঠীৰ বিশ্বাস, পৰম্পৰা, একতা আৰু কৃষক সমাজৰ সপোন জড়িত হৈ আছে। তেওঁ লগতে এই উৎসৱে সমন্বয়ৰ বীজ সিঁচি কৃষক সমাজৰ সপোন সাৰ্থক কৰিব আৰু সকলোৰে জীৱন সুখ-সমৃদ্ধিৰে উপচাই পেলাব বুলি আশা কৰে।

০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে চৰাইদেউ জিলাৰ সাপেখাঁটিত এখন নতুন জৱাহৰ নবোদয় বিদ্যালয় নিৰ্মাণৰ অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে আজি এই কথা সদৰি কৰি কয়, যে নতুন বিদ্যালয়খনৰ সংযোজনে জিলাখনৰ শিক্ষাৰ মান অধিক শক্তিশালী কৰাৰ লগতে শিশুসকলক উন্নত শিক্ষাৰ সুযোগ প্ৰদান কৰিব। এই সিদ্ধান্তৰ বাবে তেওঁ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০

বি টি আৰত অহা ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি পৰিষদীয় নিৰ্বাচনৰ গতিবিধি ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপি, ইউ পি পি এল, বি পি এফ আৰু অঞ্জলি দৈমাৰীৰ নেতৃত্বত নতুনকৈ গঠিত এ বি পিয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে প্ৰচাৰ অভিযানত নামি পৰিছে। দলকেইটাই ঠায়ে ঠায়ে নিৰ্বাচনী সভা পাতি প্ৰচাৰ অভিযান চলোৱা পৰিলক্ষিত হৈছে। নৱগঠিত এ বি পিয়ে ইতিমধ্যে জিলা, ব্লক আৰু প্ৰাথমিক কমিটী গঠনৰ কাম তীব্ৰতৰ কৰি তুলিছে।

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ককলাবাৰী পৰিষদীয় সমষ্টিত আজি ইউপিপিএলৰ এখন বুথ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, ইউপিপিএলৰ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰী, ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে অংশগ্ৰহণ কৰে।

০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ জয়সাগৰ অসামৰিক চিকিৎসালয়ত আজি অগ্নিকাণ্ড সংঘটিত হয়। চিকিৎসালয়খনৰ জেনেৰেটৰৰ বিজুতিৰ বাবে জুইৰ সূত্ৰপাত হোৱাৰ সন্দেহ কৰা হৈছে। চিকিৎসালয়খনৰ

সন্মুখৰ ব্যৱসায়ী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাত জুই নিয়ন্ত্ৰণ কৰা হয়। এই ঘটনাত কোনো লোক হতাহত হোৱা নাই।

০০০০০

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই মিছামাৰী নদী নিয়ন্ত্ৰণৰ লক্ষ্যৰে নিৰ্মাণ কৰিবলৈ লোৱা মথাউৰিৰ আজি আধাৰশিলা স্থাপন কৰে। মহাৰাষ্ট্ৰৰ পুনেৰ নাম ফাউণ্ডেচন নামৰ এটা বেচৰকাৰী সংস্থাৰ আৰ্থিক সাহায্যত এই মথাউৰিটো নিৰ্মাণ কৰা হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত সাংসদ বৰুৱাই বান আৰু খহনীয়াৰ পৰা জীৱন আৰু সম্পত্তিৰ সুৰক্ষা সুনিশ্চিত কৰাত চৰকাৰে সদায়ে অগ্ৰাধিকাৰ দি আহিছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে মিছামাৰী নদী আৰু ইয়াৰ জল নিৰ্গমন স্থলসমূহৰ ওপৰত নিৰ্মীয়মান দলং আৰু কালভাৰ্টসমূহত পানীৰ গতিপথক লক্ষ্য কৰি মথাউৰি নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। অনুষ্ঠানত জিলা আয়ুক্ত ৰাহুল সুৰেশ জাভিৰ, ধেমাজি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, চিচিবৰগাঁও চক্ৰ বিষয়া, চিচিবৰগাঁও খণ্ড উন্নয়ন বিষয়া আদিকে ধৰি বহুসংখ্যক শীৰ্ষ বিষয়া তথা অন্যান্য লোক উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগৰ প্ৰধান সচিব জ্ঞানেন্দ্ৰ দেৱ ত্ৰিপাঠীয়ে আজি দক্ষিণ শালমৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত বিভিন্ন বিভাগৰ মুৰব্বী-বিষয়াৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। প্ৰধান সচিবগৰাকীয়ে কাইলৈ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী খহনীয়াপীড়িত অঞ্চল পৰিদৰ্শন কৰিব।

০০০০০

তিনিচুকীয়া জিলাৰ জিলা আয়ুক্ত স্বপ্নীল পালে আজি হাঁহচৰা মণ্ডল প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰি কেইবাটাও বিষয়ত গুৰুত্বপূৰ্ণ পৰ্যালোচনা কৰে। তেওঁ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতেও মত বিনিময় কৰে। জিলাখনৰ চাহ বাগিচাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ সকলো ছাত্ৰ-ছাত্ৰীৰ আধাৰকাৰ্ড আৰু জন্মৰ প্ৰমাণপত্ৰৰ সুবিধা লাভ, বিদ্যালয়সমূহত গাঁথনিগত আৰু গাণিতিক সাক্ষৰতাৰ কাৰ্যসূচী ৰূপায়ণ, মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত প্ৰতি সপ্তাহত অন্ততঃ এটা অতিৰিক্ত কণী প্ৰদান আৰু বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তথা আধাতে বিদ্যালয় এৰি যোৱাৰ হাৰ আৰু ইয়াৰ কাৰণ আদি বিষয়ত পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ আধাৰ নামভৰ্তিৰ বাবে এটা আধাৰশিবিৰ মুকলি কৰে। এই পৰ্যালোচনা বৈঠকত অতিৰিক্ত, বিদ্যালয়ৰ পৰিদৰ্শক, স্বাস্থ্য বিভাগৰ প্ৰতিনিধি তথা অন্যান্য বিষয়াসকল উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ ১১ বছৰ পূৰ্তি উপলক্ষে ভাৰতীয় জনতা পাৰ্টী, ধেমাজি জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত আজি এখন সংবাদমেল অনুষ্ঠিত হয়। সাংসদ প্ৰদান বৰুৱাই সম্বোধন কৰা সংবাদমেলত বিকশিত ভাৰতৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন ১১ বছৰীয়া কাৰ্যকালৰ সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ অৰ্থে চৰকাৰে গ্ৰহণ কৰা কাৰ্যাৱলী সন্দৰ্ভত আলোকপাত কৰে।

বজালী জিলাৰ পাঠাশালাতো বিজেপিৰ বজালী জিলা সমিতিয়ে এখন সংবাদমেল অনুষ্ঠিত কৰে। বিজেপিৰ ৰাজ্যিক মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই এই সংবাদ মেলত কয় যে সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ মহামন্ত্ৰৰে প্ৰধানমন্ত্ৰী নেতৃত্বাধীন চৰকাৰে ১১টা বছৰ সফলতাৰে সম্পূৰ্ণ কৰিলে। তেওঁ কয় যে দেশৰ ৩১ কোটি জনসাধাৰণক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত কৰি গৰীৱ কল্যাণৰ মূলমন্ত্ৰক সাৰ্থক কৰি তোলা প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত আজি ভাৰতৰ অৰ্থনীতি বিশ্বৰ চতুৰ্থ স্থানলৈ আগুৱাই গৈছে।

০০০০০

লণ্ডনৰ লৰ্ডছত আজিৰে পৰা অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল অনুষ্ঠিত হৈছে। ফাইনেলখনত টছত হাৰি প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰা অষ্ট্ৰেলিয়াই বাতৰি যুগুতোৱাৰ পৰলৈ ১২৩ ৰানত ৪টা উইকেট হেৰুৱাইছে। ওছমান খোৱাজা, মাৰ্নুছ লাবুশ্বেন, কেমেৰুণ গ্ৰীন আৰু ট্ৰেভিছ হেড সোনকালে আউট হোৱাৰ পাছত ষ্টিভেন স্মীথে ৬২ আৰু ডিউ ৱেবষ্টাৰে ১৮ ৰান কৰি খেলি আছে। দক্ষিণ আফ্ৰিকাৰ হৈ কাগিছ' ৰাবাডা আৰু মাৰ্কো জেনশ্বেনে দুটাকৈ উইকেট দখল কৰে।

উল্লেখযোগ্য যে অষ্ট্ৰেলিয়াই এইবাৰ একেৰাহে দ্বিতীয় বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে ২০২৩ বৰ্ষত ভাৰতক পৰাস্ত কৰি খিতাপ দখল কৰিছিল। দক্ষিণ আফ্ৰিকাই এইবাৰ প্ৰথমবাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেলিছে।

০০০০০

সমাপ্ত